**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-03-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---

১। অহা ১০ বছৰৰ ভিতৰত ভাৰত-ম্যানমাৰ সীমান্ত সম্পূৰ্ণৰূপে ছীল কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্ত।

২। চলিত বছৰৰ গুণোৎসৱৰ আজি ফলাফল ঘোষণা।

৩। দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ বাবে জাৰ্মানীৰ ৰাষ্ট্ৰদূত ড০ ফিলিপ একাৰমেনৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বৈঠক।

৪। অসামৰিক সন্মান প্ৰদান কাৰ্যসূচী নিয়াৰিকৈ সম্পন্ন কৰাৰ লগতে কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত মুখ্যমন্ত্ৰীৰ আলোচনা। **আৰু**

৫। গুৱাহাটীৰ বৰ্ষাপাৰাত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে কলকাতা নাইট ৰাইডাৰ্ছৰ ৮ উইকেটত জয়লাভ।

০০০০০০

উগ্ৰপন্থী সংগঠন আলফা স্বাধীনকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ উগ্ৰপন্থী গোটসমূহৰ আহ-যাহ বন্ধ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে অহা ১০ বছৰৰ ভিতৰত ভাৰত-ম্যানমাৰ সীমান্ত সম্পূৰ্ণৰূপে ছীল কৰাৰ সিদ্ধান্ত লৈছে। ৩১ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ এই কাম ইতিমধ্যে আৰম্ভ হৈছে। ইয়াৰ অধীনত এহেজাৰ ৬৪৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ ভাৰত-ম্যানমাৰ সীমান্তত অত্যাধুনিক প্ৰযুক্তিৰে নিৰ্মিত কাঁইটিয়া তাঁৰৰ বেৰ দিয়া হ'ব। আছাম ৰাইফলছৰ অভিযন্তাই কাটিব নোৱাৰা আৰু বগাব নোৱাৰা কাঁইটিয়া তাঁৰৰ বেৰৰ নতুন প্ৰযুক্তি উদ্ভাৱন কৰিছে আৰু এই প্ৰযুক্তিৰে সীমান্ত ছীল কৰা হ'ব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ স্থায়ী সমিতিয়ে অলপতে দাখিল কৰা এখন প্ৰতিবেদনত এই তথ্য প্ৰকাশ কৰে। উল্লেখযোগ্য যে অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ আৰু মিজোৰাম এই চাৰিখন ৰাজ্যত বিস্তৃত ভাৰত-ম্যানমাৰ সীমান্তৰ দুয়োপাৰে থকা ১০ কিলোমিটাৰ মুক্ত বিচৰণ অঞ্চলত দুয়োখন দেশৰ নাগৰিকে ভিছা, পাৰপত্ৰ বা অন্যান্য নথিপত্ৰ অবিহনে আহ-যাহ কৰিব পাৰে। এই ব্যৱস্থাৰ সুযোগ লৈয়ে উগ্ৰপন্থী সংগঠন নাইবা অনুপ্ৰৱেশকাৰীয়ে সহজে ভাৰতত প্ৰৱেশ কৰে আৰু কূটাঘাত সংঘটিত কৰে বুলি মন্ত্ৰালয়ে তথ্য প্ৰকাশ কৰিছে। দেশৰ নিৰাপত্তাৰ প্ৰতি ভাবুকিৰ সৃষ্টি হোৱাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে যোৱাবছৰ ফেব্ৰুৱাৰীত ভাৰত-ম্যানমাৰ সীমান্ত ছীল কৰাৰ কথা ঘোষণা কৰিছিল। যোৱা বছৰৰ এপ্ৰিলৰ পৰা ৩১ ডিচেম্বৰলৈ সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণত ১১৪ কোটি টকাৰো অধিক ধন ব্যয় কৰা হৈছে।

০০০০০০

গুণোৎসৱ, ২০২৫-ৰ ফলাফল আজি ঘোষণা কৰা হ'ব। এই উপলক্ষে গুৱাহাটী শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠানত চলিত বৰ্ষৰ গুণগত মানৰ ঐক্যসাজ প্ৰদান আৰু মুক্ত, নিকা তথা স্বচ্ছভাৱে মূল্যায়ন কাৰ্যসূচী অনুষ্ঠিত কৰাৰ বাবে বাছনিকৃত তিনিখন জিলাক প্ৰশংসামূলক বঁটা প্ৰদান কৰা হ'ব। ইয়াৰ

উপৰি অনুষ্ঠানত আৰোহণ কাৰ্যসূচীৰ অধীনত ৪ হাজাৰ ৩২০ গৰাকী শিক্ষাৰ্থীক টেবলেট প্ৰদান কৰা হ'ব আৰু যোৱাবছৰৰ গুণোৎসৱত এ প্লাছ গ্ৰেড লাভ কৰা ১১ হাজাৰ ৫৯৪ খন বিদ্যালয়ক উৎকৃষ্টতাৰ স্বীকৃতি আৰু ২৫ হাজাৰ টকাকৈ উদ্গনিমূলক অনুদান আগবঢ়োৱা হ'ব। উল্লেখযোগ্য যে ৰাজ্যৰ প্ৰতিগৰাকী শিক্ষাৰ্থীক গুণগত শিক্ষা দানৰ সংকল্পৰে চৰকাৰে ২০১৭ চনৰ পৰা অনুষ্ঠিত কৰি অহা গুণোৎসৱত এইবেলি ৪৪ হাজাৰ ৭৭ খন বিদ্যালয়ৰ ৩৮ লাখ ৯৮ হাজাৰৰো অধিক শিক্ষাৰ্থীৰ বিদ্যায়তনিক মূল্যায়ন কৰা হৈছে।

০০০০০০

দক্ষিণ-পূব এছিয় ৰাষ্ট্ৰসমূহৰ প্ৰৱেশদ্বাৰ ৰূপে অসমে ভাৰত আৰু জাৰ্মানীৰ মাজৰ সম্পৰ্কত নতুন গতি প্ৰদানত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে বুলি ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই প্ৰকাশ কৰিছে। ৰাজভৱনত কালি ভাৰতত জাৰ্মানীৰ ৰাষ্ট্ৰদূত ড° ফিলিপ একাৰমেনৰ সৈতে হোৱা বৈঠকত ৰাজ্যপালগৰাকীয়ে এই কথা প্ৰকাশ কৰে। বৈঠকত অসমত ঐতিহ্য পৰ্যটনৰ পৰা বিনিয়োগৰ সম্ভাৱনা লৈ বিভিন্ন বিষয়ে স্থান লাভ কৰে। আই আই টি খড়গপুৰ আৰু জাৰ্মানীৰ শৈক্ষিক বিনিময় সেৱাৰ মাজৰ সহযোগিতাৰ কথা উল্লেখ কৰি ৰাজ্যপাল আচাৰ্যই আই আই টি গুৱাহাটীৰ সৈতেও অনুৰূপ সহযোগিতাৰ পোষকতা কৰে। এনে সহযোগিতাই অসম আৰু জাৰ্মানীৰ মাজত যুটীয়া গৱেষণাৰ পথ প্ৰশস্ত কৰিব বুলি ৰাজ্যপালগৰাকীয়ে মন্তব্য কৰে। অলপতে অনুষ্ঠিত বিনিয়োগ সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বিষয়ে উল্লেখ কৰি শ্ৰী আচাৰ্যই কয়, যে এই সন্মিলনত দেশ-বিদেশৰ ৪৫ হাজাৰৰো অধিক প্ৰতিনিধিয়ে ভাগ লয় আৰু ৩০০ৰো অধিক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। তেওঁ কয়, যে উত্তৰ পূৰ্বাঞ্চলৰ অৰ্থনৈতিক কেন্দ্ৰ আৰু দক্ষিণ-পূব এছিয়াৰ প্ৰৱেশদ্বাৰ হিচাপে অসমৰ সম্ভাৱনাৰ প্ৰতি বিশ্বাসৰ বাবেই এই সম্ভৱ হৈ উঠা বুলি ৰাজ্যপালগৰাকীয়ে মন্তব্য কৰে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই লোকসেৱা ভৱনত কালি কেইবাখনো গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰে। তেওঁ অহা ৩ এপ্ৰিলত হ'বলগীয়া অসামৰিক সন্মান প্ৰদান কাৰ্যসূচী নিয়াৰিকৈ সম্পন্ন কৰাৰ লক্ষ্যৰে এখন গুৰুত্বপূৰ্ণ বৈঠকত অংশ লয়। উল্লেখযোগ্য যে সমাজৰ প্ৰতি আগবঢ়োৱা প্ৰশংসনীয় সেৱাৰ স্বীকৃতি স্বৰূপে বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকললৈ ৰাজ্য চৰকাৰে অসম বৈভৱ, অসম গৌৰৱ সন্মান আগবঢ়াই আহিছে। এই পৰম্পৰা অব্যাহত ৰাখি অহা ৩ এপ্ৰিলত ২০২৪ বৰ্ষৰ এই সন্মানসমূহ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ শৰ্মাই বৈঠকত এই কাৰ্যসূচীৰ প্ৰস্তুতি সন্দৰ্ভত বিতংভাৱে আলোচনা কৰে। বৈঠকত সমিতিসমূহৰ প্ৰস্তুতিকে ধৰি বিভিন্ন বিষয়ৰ বুজ লৈ সমগ্ৰ অনুষ্ঠানটো যাতে নিয়াৰিকৈ সেই সন্দৰ্ভত তেওঁ যাৱতীয় নিৰ্দেশনা প্ৰদান কৰে।

তেওঁ লোকসেৱা ভৱনত আয়োজিত ৰাজ্যিক বন্যপ্ৰাণী পৰিষদৰ বৈঠকতো অংশগ্ৰহণ কৰে। বৈঠকত পূৰ্ববৰ্তী পৰিষদীয় বৈঠকৰ পদক্ষেপৰ প্ৰতিবেদন, পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্যৰ সীমাৰ প্ৰকল্প ন্যায্যকৰণ, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানক খহনীয়াৰ পৰা সুৰক্ষা কৰাৰ বাবে অগৰাতলি ৰেঞ্জত প্ৰশমন ব্যৱস্থাকে ধৰি বহুকেইটা বিষয়ত আলোচনা কৰা হয়। জৈৱ বৈচিত্ৰ সংৰক্ষণত গুৰুত্ব দি প্ৰকল্পসমূহ ৰূপায়ণ কৰিবলৈ তেওঁ সংশ্লিষ্ট বিভাগৰ বিষয়াসকলক নিৰ্দেশ প্ৰদান কৰে।

আন এখন বৈঠকত মুখ্যমন্ত্ৰী ড০ শৰ্মাই খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ লগতে কৃষি বিভাগৰ মুখ্য অংশীদাৰ সকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত জিলা

সৰিয়হ অভিযান, কৃষক উৎপাদক সংগঠনসমূহ শক্তিশালীকৰণ, গ্ৰাম্য বিকাশ আৰু কৃষি পদ্ধতিৰ সৈতে উন্নত প্ৰযুক্তি একত্ৰিকৰণ সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই মঙলবাৰে দিল্লীত ৰাজ্যৰ এন ডি এৰ সাংসদসকলৰ সৈতে বিভিন্ন বিষয় লৈ আলোচনা কৰে আৰু সংসদত গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰাৰ বাবে তেওঁলোকৰ ভূয়সী প্ৰশংসা কৰে। বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পথ নিৰ্দেশনাত ৰাজ্যখনৰ উন্নয়ন ত্বৰান্বিত কৰাৰ বাবে উদ্যমেৰে কাম কৰিবলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে সাংসদৰ প্ৰতি আহ্বান জনায়। তেওঁ লগতে জনসাধাৰণৰ বাবে আৰু কি কৰিব পৰা যায়, সেই বিষয়ে সাংসদসকলৰ পৰামৰ্শ বিচাৰে। বৈঠকত দিলীপ শইকীয়া, ভূৱনেশ্বৰ কলিতা, কামাখ্যা প্ৰসাদ তাছা, বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য, প্ৰদান বৰুৱা আৰু পৱিত্ৰ মাৰ্ঘেৰিটা উপস্থিত থাকে।

০০০০০০

মহিলা আৰু কন্যা শিশুসকলৰ শিক্ষা, সুৰক্ষা, নিৰাপত্তা আৰু সৱলীকৰণৰ লক্ষ্যৰে গোলাঘাট জিলাৰ গমাৰীগুৰিত কাইলৈ সজাগতা সভাৰ আয়োজন কৰা হৈছে। মন্ত্ৰী অজন্তা নেওগে এই সভাত মুখ্য অতিথি হিচাপে অংশ ল'ব। সভাৰ সৈতে সংগতি ৰাখি পৰম্পৰাগত খেল-ধেমালি, মুকলি কুইজ, চিত্ৰাংকন প্ৰতিযোগিতা, শিক্ষা, সুৰক্ষা আৰু পুৰিপুষ্টি সম্পৰ্কীয় বাৰ্তা বুথ, মহিলা আৰু কন্যা শিশুৰ ৰক্তহীনতা চিনাক্তকৰণ শিবিৰৰ আয়োজন কৰা হ'ব। সাংসদ কামাখ্যা প্ৰসাদ তাছা, মন্ত্ৰী অতুল বৰা, ৰূপেশ গোৱালা, বিধায়ক ভৰেন্দ্ৰ নাথ ভৰালী, মৃণাল শইকীয়া আৰু বিশ্বজিৎ ফুকন এই সভাত অংশগ্ৰহণ কৰিব।

০০০০০০

০০০০০০

অসমীয়া সাহিত্যৰ কাণ্ডাৰী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা আৰু সাহিত্যাচাৰ্য মিত্ৰদেৱ মহন্তৰ স্মৃতিদিৱস উপলক্ষে কালি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হয়। ডিব্ৰুগড় সাহিত্য সভাৰ উদ্যোগত কালি আয়োজিত স্মৃতি দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিশিষ্ট সাহিত্যিক ডঃ পল্লৱী ডেকা বুজৰবৰুৱাই অসমীয়া ভাষাক ৰাজ্যখনত পুনৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদানৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানত মিত্ৰদেৱ মহন্তৰ কৃতি সম্পৰ্কেও আলোচনা কৰা হয়। তেজপুৰতো কালি অসমীয়া জাতীয় জীৱনৰ প্ৰাণ প্ৰতিষ্ঠাতাস্বৰূপ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ স্মৃতি দিৱস সাহিত্য দিৱস হিচাপে পালন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত বিশিষ্ট গল্পকাৰ, ঔপন্যাসিক ডঃ ভূপেন শইকীয়াই লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন দৰ্শন আৰু সৃষ্টিকৰ্মক প্ৰতিফলিত কৰি নৱ প্ৰজন্মক অসমীয়া জাতিৰ সুৰক্ষাৰ বাবে আগবঢ়াই নিব পৰাকৈ অসম সাহিত্য সভাক পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। অসম সাহিত্য সভাই কেন্দ্ৰীয়ভাৱে মৰিগাঁও জিলা সাহিত্য সভাৰ আতিথ্যত আৰু আঁহতগুৰি শতদল সাহিত্য সভাৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে আঁহতগুৰি শ্ৰীমন্ত শংকৰগুৰু কীৰ্তনঘৰত এই দিৱসৰ আয়োজন কৰে। সাহিত্য সভাৰ মূল অনুষ্ঠানৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তত শাখা সাহিত্য সভাসমূহেও সাহিত্য দিৱস পালন কৰে।

০০০০০০

জনজাতি পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ উদ্যোগত অসম জনজাতি আৰু অনুসূচিত জাতি গৱেষণা প্ৰতিষ্ঠানে আজিৰ পৰা ২৯ মাৰ্চলৈ গুৱাহাটীৰ নেডফী কনভেনচন কেন্দ্ৰত ৰাষ্ট্ৰীয় জনজাতি চলচ্চিত্ৰ আৰু সাহিত্য মহোৎসৱৰ আয়োজন কৰিছে। ভৈয়াম আৰু জনজাতীয় পৰিক্ৰমা মন্ত্ৰী ডাঃ ৰণোজ পেগুৰে এই মহোৎসৱৰ উদ্বোধন কৰিব। সাহিত্য মহোৎসৱত পদ্মশ্ৰী সন্মানেৰে বিভূষিত অনিল বড়ো আৰু পেট্ৰিচিয়া মুখিমকে ধৰি

ভালেসংখ্যক বিশিষ্ট সাহিত্যিকে অংশগ্ৰহণ কৰিব। এই মহোৎসৱত চলচ্চিত্ৰ আৰু সাহিত্যৰ জৰিয়তে জনজাতি সম্প্ৰদায়সমূহৰ বৰ্ণাঢ্য সাংস্কৃতিক ঐতিহ্যক উদযাপন কৰা হ'ব।

০০০০০০

বিশ্ব নাট্য দিৱস উপলক্ষে সমাহাৰ নাট্য গোষ্ঠীয়ে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আজি ডঃ সীতানাথ লহকৰ ৰচিত আৰু পৰিচালিত 'ন্যায়' নামৰ নাটকখন মঞ্চস্থ কৰিব। বিশিষ্ট লেখক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডঃ অৰণী কুমাৰ ভাগৱতীয়ে সন্ধিয়া ৬ বাজি ৪৫ মিনিটত নাটকখন উদ্বোধন কৰিব।

০০০০০০

সংস্কৃতিৰ সাধক তথা অসম সৌৰভ বঁটা প্ৰাপক, আৱাহন থিয়েটাৰৰ প্ৰতিষ্ঠাপক কৃষ্ণ ৰয়লৈ বজালীৰ ভট্টদেৱ বিশ্ববিদ্যালয়ে সন্মানীয় ডক্টৰেট ডিগ্ৰী আগবঢ়াইছে। অহা ২৯ মাৰ্চত হ'বলগীয়া বিশ্ববিদ্যালয়খনৰ প্ৰথম দীক্ষান্ত সমাৰোহত ৰাজ্যপাল তথা বিশ্ববিদ্যালয়খনৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্যই বিশিষ্ট নাট্যকৰ্মীগৰাকীক এই সন্মান প্ৰদান কৰিব। আৱাহনৰ লগতে কহিনুৰ থিয়েটাৰৰ প্ৰতিষ্ঠাকালৰেপৰা জড়িত কৃষ্ণ ৰয়ে অসমৰ ভ্ৰাম্যমান থিয়েটাৰৰ উপৰি চলচ্চিত্ৰ জগতলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে ২০২২ বৰ্ষত তেওঁক অসম সৌৰভ সন্মান প্ৰদান কৰা হৈছিল।

০০০০০০

শ্ৰোতাসকলৰ বিপুল দাবীৰ প্ৰতি সঁহাৰি জনাই আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ জনপ্ৰিয় অনুষ্ঠান 'জিলাৰ ৰেহৰূপ' পুনৰ সন্ধিয়াৰ পৰিৱৰ্তে পুৱাৰ ভাগত প্ৰচাৰৰ দিহা কৰা হৈছে। সেই অনুসৰি অহা ১ এপ্ৰিলৰ পৰা জিলাৰ ৰেহৰূপ অনুষ্ঠান প্ৰতিদিনে পুৱাৰ আঞ্চলিক বাতৰিৰ ঠিক পাছতেই অৰ্থাৎ ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২০ মিনিটলৈ প্ৰচাৰিত হ'ব। উল্লেখযোগ্য যে কোৱিড কালত বিভিন্ন অনুষ্ঠানৰ সময় পৰিৱৰ্তনৰ বাবে জিলাৰ ৰেহৰূপৰ প্ৰচাৰ বন্ধ কৰা হৈছিল আৰু পৰৱৰ্তী কালত ইয়াক সন্ধিয়া ৭ বাজি ৫ মিনিটত প্ৰচাৰ কৰাৰ ব্যৱস্থা কৰা হৈছিল।

০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে পৰহিলৈ গুৱাহাটীৰ দিছপুৰ লাষ্টগেটৰ লোকনিৰ্মাণ বিভাগৰ সন্মিলন ভৱনত 'আপুনি কেনে আছে' শীৰ্ষক এটা বিশেষ অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰিছে। দিনৰ চাৰে ১০ বজাৰ পৰা হ'বলগীয়া এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ছটা দশকৰ নজহা-নপমা স্মৃতি ৰোমন্থনৰ লগতে কেইবাগৰাকীও প্ৰাক্তন বাতৰি পৰিৱেশক-পৰিৱেশিকা, সম্পাদক আৰু বিষয়াই বৰ্তমানৰ বাতৰি বিভাগৰ কৰ্মীসকলৰ সৈতে অন্তৰংগ আলাপত ভাগ ল'ব। এই অনুষ্ঠানৰ বছা বছা অংশ সেইদিনা নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰিত দৃষ্টিপাত অনুষ্ঠানত শুনিবলৈ পাব।

০০০০০০

**দেশৰ দৰিদ্ৰ, অভাৱী মুছলমান পৰিয়ালসমূহত যাতে ঈদৰ উছাহ কোনোগুণে কম নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'সৌগাত-এ-মোদী' নামৰ এটা বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। ঈদৰ শুভক্ষণত দেশৰ ৩২ লাখ দৰিদ্ৰ পৰিয়ালক ঈদ উদযাপনৰ বাবে ভাৰতীয় জনতা পাৰ্টিৰ কাৰ্যকৰ্তাসকলে উপহাৰৰ টোপোলা প্ৰদান কৰিব। এই বাতৰিটোক *নিয়মীয়া বাৰ্তা* আৰু *আমাৰ অসম* কাকতে প্ৰথমপৃষ্ঠাত প্ৰকাশ কৰিছে। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে এতিয়াৰে পৰা ব্যক্তিগত আৰু ভেঞ্চাৰ শিক্ষানুষ্ঠানত উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ পৰীক্ষা অনুষ্ঠিত নকৰাৰ সিদ্ধান্ত গ্ৰহণ**

কৰিছে। *দৈনিক অগ্ৰদূত* কাকতে এই বাতৰিটোক ব্যক্তিগত শিক্ষানুষ্ঠানত নহয় একাদশ শ্ৰেণীৰ পৰীক্ষা শিৰোনামেৰে মুখ্য পৃষ্ঠাত পৰিৱেশন কৰিছে। *The Sentinal* কাকততো একেটা বাতৰিয়ে No Hs 1st year examination centre in private institution শিৰোনামেৰে প্ৰথমপৃষ্ঠাত স্থান লাভ কৰিছে। সাংবাদিক তথা গুৱাহাটী প্ৰেছ ক্লাৱৰ সহকাৰী সাধাৰণ সম্পাদক দিলোৱাৰ হুছেইন মজুমদাৰক কালি গুৱাহাটীৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে জামিন মঞ্জুৰ কৰিছে। সাংবাদিকগৰাকীক এটা জামিনবিহীন গোচৰত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ পাছতে গুৱাহাটী প্ৰেছ ক্লাৱৰ সদস্যসকলৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সাংবাদিক সমাজে সাংবাদিকগৰাকীৰ মুক্তিৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰিছিল। এই বাতৰিটোক *অসমীয়া প্ৰতিদিন* *দৈনিক জনমভূমি* , *আমাৰ অসম* *অসমীয়া খবৰ* *The Assam Tribune* আদিকে ধৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন বাতৰিকাকতৰেই প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰা হৈছে। আজিৰ কাকতসমূহৰ প্ৰথম পৃষ্ঠাত প্ৰকাশিত অনান্য কেইটামান বাতৰি- ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচনী প্ৰচাৰ তুংগত, সুধাকণ্ঠৰ সৃষ্টি সংৰক্ষণৰ উদ্দেশ্যৰে সাংস্কৃতিক বিভাগেৰে গুৰুত্বপূৰ্ণ চুক্তি গুৱাহাটী বিশ্ববিদ্যালয়ৰ, লিডুৰ মোলং পাহাৰত বনজুই আৰু জাৰ্মানীৰ ৰাষ্ট্ৰদূতৰে বৈঠক অসমৰ মুখ্যমন্ত্ৰীৰ।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

অসম বিধানসভাৰ ৰাজহুৱা হিচাপ সমিতিৰ এটা প্ৰতিনিধি দলে কালি হোজাই জিলাত উপস্থিত হৈ জিলাখনত ৰূপায়ণ হৈ থকা বিভিন্ন চৰকাৰী আঁচনিৰ কাম-কাজ পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ অন্তত জিলা সদৰ শ্ৰীমন্ত শংকৰদেৱ নগৰৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাগৃহত আয়ুক্ত আৰু জিলাখনৰ বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়াসকলৰ উপস্থিতিত এখন পৰ্যালোচনা সভাত মিলিত হয়।

০০০০০০

কলকাতা নাইট ৰাইডাৰ্ছে যোৱানিশা গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰাজস্থান ৰয়েলছক ৮ উইকেটত পৰাস্ত কৰে। কলকাতা নাইট ৰাইডাৰ্ছে ১৫২ ৰানৰ লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অ'ভাৰ আৰু তিনিটা বলত দুটা উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। কুইণ্টন ডি ক'কে কলকাতা নাইট ৰাইডাৰ্ছৰ জয়ত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায়। ক'কে ৬১টা বলত ৯৭ ৰান কৰে। ইয়াৰ পূৰ্বে ৰাজস্থান ৰয়েলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৯টা উইকেট হেৰুৱাই ১৫১ ৰান সংগ্ৰহ কৰে। একেখন ষ্টেডিয়ামতে অহা ৩০ মাৰ্চত হ'বলগীয়া আন এখন খেলত চেন্নাই ছুপাৰ কিংছে ৰাজস্থানৰ ৰয়েলছৰ বিৰুদ্ধে খেলিব।

প্ৰতিযোগিতাত আজি হায়দৰাবাদত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ লক্ষ্ণৌ ছুপাৰ জায়েণ্ট্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব।

০০০০০০

খেল' ইণ্ডিয়া পেৰা গেম্‌ছ ২০২৫-ৰ আজি সামৰণি পৰিব। ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণে আয়োজন কৰা এই ক্ৰীড়া মহোৎসৱৰ সামৰণি অনুষ্ঠানত কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ৰক্ষা নিখিল খৰ্চে উপস্থিত থাকিব। এই ৮ দিনীয়া ক্ৰীড়া মহোৎসৱৰ এহেজাৰ ৩০০ৰো অধিক গৰাকী পেৰা এথলিটে পেৰা

আৰ্চাৰী, পেৰা এথলেটিক্‌চ, পেৰা বেডমিণ্টন পেৰা পাৱাৰ লিফ্‌টিং আৰু টেবল টেনিছকে ধৰি ছটা শিতানত প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়।

০০০০০০

আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত তিনি দশকৰো অধিক কাল ধৰি সেৱা আগবঢ়াই অহা অংশকালীন ঘোষক-ঘোষিকা তথা প্ৰসাৰণ সহযোগী চন্দন দাস আৰু অৰুণীতা দেৱীক কালি বিদায় সম্বৰ্ধনা জনোৱা হয়। বিদায়ী অনুষ্ঠানত তেওঁলোকলৈ সম্বৰ্ধনা শৰাই আৰু গ্ৰন্থ আগবঢ়োৱা হয়। একেটা অনুষ্ঠানতে প্ৰায় ২৪ বছৰ সেৱা আগবঢ়াই দুবছৰ পূৰ্বে অৱসৰ গ্ৰহণ কৰা এম হাছিম আলিকো সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানত উপ-সঞ্চালক প্ৰধান কেনিয়েলো কেণ্ট ৰেংমা, আকাশবাণী আৰু দূৰদৰ্শন কেন্দ্ৰৰ অনুষ্ঠান মুৰববী লোহিত ডেকা, অনুষ্ঠান কাৰ্যবাহী অৰুণ মৰাণকে ধৰি কেন্দ্ৰটোৰ কৰ্মৰত কেইবাগৰাকীও কৰ্মচাৰী উপস্থিত থাকে। অনুপ শৰ্মাই আঁত ধৰা এই অনুষ্ঠানত লোহিত ডেকাই সকলোৰে আকাশবাণীৰ প্ৰতি দেখুওৱা মৰম আৰু দায়বদ্ধতাৰ কথা স্মৰণ কৰে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৮ ডিগ্ৰী ছেলছিয়াছ হ’ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত অৰুণাচল প্ৰদেশ আৰু ত্ৰিপুৰাৰ ঠাই বিশেষ পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। অসম, মেঘালয়, নাগালেণ্ড, মিজোৰাম আৰু মণিপুৰত বতৰ শুকান হৈ থাকিব বুলি আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত